**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 28-07-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। লোকসভাত আজি অপাৰেচন সিন্দূৰ সন্দৰ্ভত আলোচনা আৰম্ভ হোৱাৰ সম্ভাৱনা আছে।

২। সাৰ্বভৌমত্বক আক্ৰমণ কৰা যিকোনো শক্তিৰ বিৰুদ্ধে ভাৰতে  কিদৰে প্ৰত্যুত্তৰ দিব সেই কথা অপাৰেচন সিন্দূৰৰ জৰিয়তে ভাৰতে সমগ্ৰ বিশ্বক দেখুৱাই দিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

৩। উত্তৰাখণ্ডৰ হৰিদ্বাৰত থকা মনষা দেৱীৰ মন্দিৰলৈ যোৱা এটা পথত কালি পদপিষ্ট হৈ কমেও ৮ জন লোক নিহত হোৱাৰ লগতে আন ৩০ জন লোক আঘাতপ্ৰাপ্ত হৈছে।

৪। থাইলেণ্ড আৰু কম্বোডিয়াৰ মাজৰ সীমা বিবাদ নিষ্পত্তিৰ উদ্দেশ্যে দেশ দুখনৰ নেতাসকল আজি মালয়েছিয়াত গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হ'ব। *আৰু*

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজত অনুষ্ঠিত চতুৰ্থখন টেষ্ট অমীমাংসিত হৈ ৰয়।

ooooo

লোকসভাত আজি অপাৰেচন সিন্দূৰ সন্দৰ্ভত আলোচনা আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। সংসদৰ চলিত বৰ্ষাকালীন অধিৱেশনত পেহেলগামৰ সন্ত্ৰাসবাদীৰ আক্ৰমণ আৰু অপাৰেচন সিন্দূৰৰ জৰিয়তে ভাৰতৰ প্ৰতিক্ৰিয়া সন্দৰ্ভত বিশেষ আলোচনা হ'ব বুলি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে পূৰ্বেই প্ৰকাশ কৰিছিল। শ্ৰীৰিজিজুৱে কয়, যে লোকসভাৰ অধ্যক্ষ ওম বিৰলাৰ অধ্যক্ষতাত অনুষ্ঠিত ব্যৱসায়িক পৰামৰ্শদাতা কমিটিৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। তেওঁ কয়, যে লোকসভাত এই বিষয়ক বিতৰ্কৰ বাবে ১৬ ঘণ্টা সময়ৰ অনুমোদন দিয়া হৈছে আৰু ৰাজ্যসভাতো কাইলৈ ১৬ ঘণ্টাৰ বাবে বিষয়টো সন্দৰ্ভত আলোচনা কৰা হ'ব। অপাৰেচন সিন্দূৰ সন্দৰ্ভত আলোচনাৰ বাবে বিৰোধী দলসমূহে দাবী জনোৱাৰ কথা উল্লেখ কৰি শ্ৰীৰিজিজুৱে লগতে কয়, যে চৰকাৰে অধিৱেশনৰ প্ৰথম দিনৰ পৰাই এই দাবীৰ প্ৰতি সন্মতি প্ৰকাশ কৰিছে।

ooooo

সাৰ্বভৌমত্বক আক্ৰমণ কৰা যিকোনো শক্তিৰ বিৰুদ্ধে ভাৰতে  কিদৰে প্ৰত্যুত্তৰ দিব সেই কথা অপাৰেচন সিন্দূৰৰ জৰিয়তে ভাৰতে সমগ্ৰ বিশ্বক দেখুৱাই দিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। শ্ৰীমোদীয়ে কয়, যে এই সামৰিক অভিযানে দেশজুৰি নতুন আত্মবিশ্বাসৰ সৃষ্টি কৰিছে। তামিলনাডুৰ গংগাইকোণ্ডা ছলাপুৰমত কালি আয়োজিত ঐতিহাসিক ছ'ল ৰজা ৰাজেন্দ্ৰ ছ'ল প্ৰথমৰ জন্মবাৰ্ষিকীৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি শ্ৰীমোদীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ভাৰতক আক্ৰমণৰ লক্ষ্য কৰি লোৱা কোনো শত্ৰু বা সন্ত্ৰাসবাদীৰ বাবে কোনো ধৰণৰ সুৰক্ষিত স্থান নাই বুলি অপাৰেচন সিন্দূৰে প্ৰমাণ কৰি দিছে। দেশৰ নিৰাপত্তা আৰু সাৰ্বভৌমত্বৰ প্ৰতি অহা যিকোনো ভাবুকিৰ

প্ৰতি ভাৰতে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব বুলি অপাৰেচন সিন্দূৰে সমগ্ৰ বিশ্বলৈ স্পষ্ট বাৰ্তা প্ৰেৰণ কৰিছে বুলি শ্ৰীমোদীয়ে লগতে মন্তব্য কৰিছে।

ভাৰতৰ ইতিহাস আৰু সংস্কৃতিলৈ ছ'ল বংশৰ অৱদানৰ প্ৰতি সন্মান জনাই তামিলনাডুত ৰাজা ৰাজা ছ'ল আৰু ৰাজেন্দ্ৰ ছ'ল প্ৰথমৰ বিশাল প্ৰতিমূৰ্তি স্থাপন কৰা হ'ব বুলিও প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰে।

০০০০০

উত্তৰাখণ্ডৰ হৰিদ্বাৰত থকা মনসা দেৱীৰ মন্দিৰলৈ যোৱা এটা পথত কালি পদপিষ্ট হৈ কমেও ৮ জন লোক নিহত হোৱাৰ লগতে আন ৩০ জন লোক আঘাতপ্ৰাপ্ত হৈছে। জ্যেষ্ঠ আৰক্ষী অধীক্ষক প্ৰমেন্দ্ৰ সিং ডোভালে কৈছে যে অঞ্চলটোত বিদ্যুৎ প্ৰৱাহ হোৱা বুলি এটা ভুৱা বাতৰি প্ৰচাৰ হোৱাৰ পাছত জনসাধাৰণৰ মাজত হুৱাদুৱা লগাৰ ফলতে এই দুৰ্ভাগ্যজনক ঘটনাটো সংঘটিত হয়। হৰিদ্বাৰ জিলা প্ৰশাসনৰ পৰা লাভ কৰা তথ্য অনুসৰি এই ঘটনাত মৃত্যু হোৱা লোকসকলৰ ভিতৰত কেইবাটিও শিশু আৰু বয়োজ্যেষ্ঠ তীৰ্থযাত্ৰী আছে। এই লোককেইজন উত্তৰ প্ৰদেশ, বিহাৰ আৰু উত্তৰাখণ্ডৰ বুলি জানিব পৰা গৈছে। চলিত শাওন মাহত হাজাৰ হাজাৰ ভক্তই এই মন্দিৰটোলৈ পূজা-অৰ্চনাৰ বাবে অহাৰ পৰিপ্ৰেক্ষিততেই অত্যাধিক ভিৰ হোৱাৰ ফলত পদপিষ্টৰ ঘটনা সংঘটিত হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীয়ে এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে আহত লোকসকলৰ আশু আৰোগ্য কামনা কৰিছে। মুখ্যমন্ত্ৰী ধামীয়ে ঘটনাটো দণ্ডাদীশ পৰ্যায়ৰ তদন্তৰ বাবে নিৰ্দেশ দিছে আৰু এই ঘটনাৰ বাবে দায়ী লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি প্ৰকাশ কৰিছে। ৰাজ্য চৰকাৰে ইতিমধ্যে ঘটনা নিহত লোকসকলৰ নিকটাত্মীয়লৈ ২ লাখ আৰু আহত লোকসকলৰ চিকিৎসাৰ বাবে ৫০ হাজাৰ টকাকৈ ক্ষতিপূৰণ আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে।

০০০০০

থাইলেণ্ড আৰু কম্বোডিয়াৰ মাজৰ সীমা বিবাদ নিষ্পত্তিৰ উদ্দেশ্যে দেশ দুখনৰ নেতাসকল আজি মালয়েছিয়াত গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হ'ব। থাইলেণ্ডৰ কাৰ্যবাহী প্ৰধানমন্ত্ৰী ফুমথাম ৱেচায়াচায়ীয়ে থাইলেণ্ডৰ প্ৰতিনিধিসকলক নেতৃত্ব দিব। এই আলোচনাত কম্বোডিয়াৰ প্ৰধানমন্ত্ৰী হুন মেনেটয়েও অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে থাইলেণ্ড-কম্বোডিয়া সীমা বিবাদৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ৩২লৈ বৃদ্ধি পাইছে আৰু এনেধৰণৰ ঘটনাত ১৩০ জনৰো অধিক লোক আহত হৈছে। কালি চতুৰ্থ দিনৰ বাবেও দেশ দুখনৰ মাজৰ সংঘৰ্ষ অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত কম্বোডিয়াৰ বহুতো লোকে ইতিমধ্যে থাইলেণ্ডৰ সৈতে থকা সীমান্ত অঞ্চল ত্যাগ কৰিছে। এই সংঘৰ্ষৰ পৰিপ্ৰেক্ষিতত থাইলেণ্ডে সীমান্ত অঞ্চলসমূহত সামৰিক আইন ঘোষণা কৰিছে।

ইপিনে এই সংঘৰ্ষ অব্যাহত থাকিলে ৱাশ্বিংটনৰ সৈতে দেশ দুখনৰ ভৱিষ্যতৰ বাণিজ্য চুক্তিসমূহ বাতিল কৰা হ'ব বুলি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে সকীয়াই দিছে। তেওঁ কয়, যে এই সংঘৰ্ষৰ অৱসানৰ বিশেষ মালয়েছিয়াৰ আলোচনা গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **হেপেটাইটিছ ৰোগৰ প্ৰতিৰোধ আৰু যতন** সন্দৰ্ভত নতুন দিল্লীৰ আই এল বি এছ হাস্পতালৰ হেপাট'ল'জি বিভাগৰ চিকিৎসক ডাঃ বিশাল আৰোৰাৰ সৈতে বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি

সমল ব্যক্তিগৰাকীক এই বিষয়ে প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহৰ যোগেদি এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। শ্ৰোতাসকলে আমাৰ ৱেৱছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত অ'ল্ড ট্ৰেফ'ৰ্ডত অনুষ্ঠিত চতুৰ্থখন টেষ্ট মেচ ড্ৰ' হয়। চতুৰ্থখন টেষ্টৰ প্ৰথম ইনিংছত ভাৰতে ৩৫৮ ৰাণ সংগ্ৰহ কৰে । ইয়াৰ পাছতে ইংলেণ্ডে প্ৰথম ইনিংছত ৬৬৯ ৰাণ সংগ্ৰহ কৰি ৩১১ ৰাণৰ অগ্ৰগতি লাভ কৰে । দ্বিতীয় ইনিংছত টীম ইণ্ডিয়াই চাৰিটা উইকেটৰ বিনিময়ত ৪২৫ ৰাণ কৰে। খেলখনত ৱাশ্বিংটন সুন্দৰ আৰু ৰবীন্দ্ৰ জাদেজাই উৎকৃষ্ট খেল প্ৰদৰ্শন কৰে আৰু দুয়োজনে শতকীয় ইনিংছ খেলে। ৱাশ্বিংটন সুন্দৰে ২০৬টা বলত অপৰাজেয় ১০১ ৰাণ সংগ্ৰহ কৰি খেলি আছিল আৰু জাদেজাই ১৮৫টা বলত ১০৭ ৰাণ কৰি খেলি আছিল। ইয়াৰ পূৰ্বে মেচখনত শুভমন গিলেও শতক অৰ্জন কৰে। ইংলেণ্ডৰ হৈ পাঁচটা উইকেট দখল আৰু ১৪১ৰাণ সংগ্ৰহ কৰা বেন ষ্টকক প্লেয়াৰ অৱ দা মেচ সন্মান প্ৰদান কৰা হয়। ভাৰত শৃংখলাত ২-১ ফলাফলত পিছ পৰি আছে। শৃংখলাৰ পঞ্চম আৰু অন্তিমখন মেচ ৩১ জুলাইৰ পৰা আৰম্ভ হ'ব।

০০০০০

ইম্ফলৰ খুমান লম্পাক ষ্টেডিয়ামত অহা ৩০ জুলাইত ভাৰতৰ সবাতোকৈ পুৰণি ফুটবল প্ৰতিযোগিতা ডুৰাণ্ড কাপৰ ১৩৪ সংখ্যক সংস্কৰণ আৰম্ভ হ'ব। ইয়াৰ বাবে সকলো ধৰণৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। খুমান লম্পাক ষ্টেডিয়ামত গ্ৰুপ-এফৰ খেলসমূহ অনুষ্ঠিত হ'ব। ৰিয়েল কাশ্মীৰ এফ চি, ভাৰতীয় নৌসেনা ফুটবল দল আৰু নেৰ'কা এফ চি তথা ট্ৰাও এফ চি নামৰ দুটা স্থানীয় দলক এই গ্ৰুফ-এফত অন্তৰ্ভুক্ত কৰা হৈছে। দেশৰ অন্যান্য চহৰত ডুৰাণ্ড কাপৰ খেলসমূহ ইতিমধ্যে আৰম্ভ হৈছে। প্ৰথমখন খেলত স্থানীয় দল দুটা প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মণিপুৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া বিভাগৰ সঞ্চালক ড০ মায়েংবাম ভেটো সিঙে কৈছে যে সংশ্লিষ্ট বিভাগসমূহে ভাৰতীয় সেনাৰ সহযোগিতাত এই কাৰ্যসূচী সুকলমে আয়োজন কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ কয়, যে প্ৰতিযোগিতাৰ বিভিন্ন দিশ চোৱাচিতা কৰাৰ বাবে মুখ্য সচিবৰ নেতৃত্বত আয়োজক সমিতিৰ লগতে ১৭ খন উপ-সমিতি গঠন কৰি দিয়া হৈছে।

০০০০০

জৰ্জিয়াৰ বাটুমিত অনুষ্ঠিত হ'বলগীয়া ফিডে মহিলা বিশ্বকাপৰ খিতাপ দখল কৰিবলৈ আজি গ্ৰেণ্ড মাষ্টাৰ কনেৰু হাম্পি আৰু আন্তঃৰাষ্ট্ৰীয় মাষ্টাৰ দিব্যা দেশমুখে ৰেপিড আৰু ব্লিটজ টাইব্ৰেকত মুখামুখি হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন দিনৰ এক বাজি ৩৫ মিনিটত আৰম্ভ হ'ব। টাইব্ৰেকত ১০ মিনিটৰ দুখন ৰেপিড মেচ অনুষ্ঠিত হ'ব আৰু প্ৰতিটো চালৰ পিছত ১০ ছেকেণ্ডকৈ সময় বৃদ্ধি পাব। যদিহে ফলাফল সমান হৈ থাকে, পাঁচ মিনিটৰ দুখন মেচ অনুষ্ঠিত কৰা হ'ব আৰু প্ৰতিটো চালৰ পিছত তিনি ছেকেণ্ডকৈ সময় বৃদ্ধি কৰা হ'ব। ইয়াৰ পাছতো যদিহে ফলাফল সমান হৈ থাকে, তেন্তে তিনি মিনিটকৈ দুখন ব্লিটজ মেচ অনুষ্ঠিত হ'ব। য'ত প্ৰতিটো চালৰ পিছত দুইছেকেণ্ডকৈ সময় বৃদ্ধি কৰা হ'ব।

০০০০০

মাদক দ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰ' এনচিবিয়ে ৰাজস্থান আৰু মহাৰাষ্ট্ৰ আৰক্ষীৰ সৈতে চলোৱা যৌথ অভিযানত কালি ৰাজস্থানৰ বাৰ্মেৰ জিলাৰ ঢোলাকিয়া গাঁৱত এটা আন্তঃৰাজ্যিক ড্ৰাগছ উৎপাদনকাৰী চক্ৰ উৎখাত কৰা হয়। অভিযানত চিণ্ডিকেট চক্ৰটোৰে জড়িত দুজনক কৰায়ত্ত কৰা হৈছে। এনচিবিৰ এটা সূত্ৰই জনোৱা মতে, অভিযানৰ সময়ত দলটোৱে ড্ৰাগছ উৎপাদনত ব্যৱহৃত বিভিন্ন সঁজুলিৰ লগতে ক্ল'ৰ'ফৰ্ম, এমোনিয়াম ক্লৰাইড, প্ৰপাইলিন ক্লৰাইড, টলুইন আৰু ব্ৰ'মিনৰ দৰে ৰাসায়নিক দ্ৰব্য উদ্ধাৰ কৰে।

০০০০০

ক'ভিড-**১৯**ৰ আঁৰৰ ভাইৰাছ SARS-CoV-2ৰ সংক্ৰমণৰ পৰা ২৫ লাখতকৈ অধিক লোকৰ মৃত্যু ভেকচিনৰ দ্বাৰা প্ৰতিৰোধ কৰা হৈছে বুলি এটা নতুন অধ্যয়নত প্ৰকাশ পাইছে। ইটালীৰ কেথলিক ইউনিভাৰ্চিটি অৱ দ্য ছেক্ৰেড হাৰ্টৰ গৱেষকৰ নেতৃত্বত চলোৱা এই অধ্যয়নত প্ৰতি ৫৪০০টা ভেকচিন ড'জৰ বিপৰীতে এজনকৈ ক'ভিড সংক্ৰমিত ৰোগীক মৃত্যুৰ পৰা ৰক্ষা কৰা বুলি দাবী কৰা হৈছে। ভাইৰাছত আক্ৰান্ত হোৱাৰ পূৰ্বে টীকাকৰণ কৰাৰ ফলত ৮২% লোকৰ জীৱন ৰক্ষা পৰে বুলিও অধ্যয়নটোত প্ৰকাশ কৰা হৈছে।

০০০০০

সমাপ্ত